কাৰ্যালয়

## সদৌ অসম তনজিম মাদাৰিছে ক্বৌমিয়া

(শাখাঃ ৰাবেতায়ে মাদাৰিছে ইছলামীয়া আৰবীয়া, দাৰুল উলুম দেওবন্দ)

নীলবাগান ঃ হোজাই ঃ অসম

# ক্বৌমী মাদ্ৰাছা পৰিচালনা বিধি

(আবাসিক আৰু অনাৱাসিক)

# শিক্ষা প্ৰতিষ্ঠানৰ বাবে প্ৰয়োজনীয় বিধিসমূহ

১. মাটিকালিঃ

১.১ দ্বিনীয়াত লৈকে থকা মাদ্ৰাছাৰ বাবে ১ বিঘা মাটি অপৰিহাৰ্য।

১.২ ছানৱীয়া লৈকে থকা মাদ্ৰাছাৰ বাবে ২ বিঘা মাটি অপৰিহাৰ্য।

১.৩ দাওৰায়ে হাদিছ লৈকে থকা মাদ্ৰাছাৰ বাবে ৪ বিঘা মাটি অপৰিহাৰ্য।

২. অনুষ্ঠানৰ এখন পৰিচালনা সমিতি থাকিব লাগিব।

**মাদ্ৰাছা পৰিচলানা সমিতিৰ দায়িত্বঃ**

২.১ মাদ্ৰাছাৰ শিক্ষক, শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী নিয়োগ কৰিব।

২.২ শিক্ষক কৰ্মচাৰীৰ যাৱতীয় সঠিক তথ্য সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিব।

২.৩ মাদ্ৰাছাৰ সামগ্ৰীক উন্নয়ণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ ওপৰিও ৱাইজৰ অংশ গ্ৰহন নিশ্চিত কৰিব।

২.৪ মাদ্ৰাছাৰ শৈক্ষিক পৰিৱেশ উন্নয়নৰ লগতে শিক্ষাৰ বাবে এক সুন্দৰ পৰিৱেশ সৃষ্টিৰ কাৰণে শিক্ষকসকলক সহযোগিতা কৰিব।

২.৫ মাদ্ৰাছাৰ আৰ্থিক অনুদান আদিৰ হিচাপ ৰক্ষা, পুঁজিৰ সদ-ব্যৱহাৰ আৰু ৰাজহুৱা হিচাপ পৰীক্ষণৰ ব্যৱস্থা কৰিব।

২.৬ বিভাগীয় নিয়ম-নীতি অনুসৰি মাদ্ৰাছা গৃহ আদি নিৰ্মাণৰ

বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

৩. অনুষ্ঠান প্ৰতিষ্ঠা কৰাৰ সময়ত তনজিম বোৰ্ডৰ অনুমতি ল'ব লাগিব। অনুমতি নোলোৱাকৈ স্থাপন কৰা অনুষ্ঠানলৈ অনুমোদন জনোৱা নহ'ব।

৪. অনুষ্ঠানৰ আয়ৰ যাৱতীয় উৎস সমন্বিতে আয়-ব্যয়ৰ নিয়মিত ব্যৱস্থা, যেনে ৰচিদ বহী, কেছবুক, লেজাৰ বুক আদি ৰখাৰ লগতে হিচাপ পৰীক্ষাৰ ব্যৱস্থা থাকিব লাগিব।

৫. অনুষ্ঠানখন চৰকাৰীভাৱে Trust/Society Actত পঞ্জীয়নভূক্ত হ'ব লাগিব। সময়ত নবীকৰণ কৰিব লাগিব।

৬. অনুষ্ঠানৰ এখন কাৰ্যালয় আৰু এখন পুথিভঁৰাল থাকিব লাগিব। য'ত প্ৰয়োজনীয় আচবাব থাকিব লাগিব।

৭. শিক্ষক-কৰ্মচাৰীৰ সম্পূৰ্ণ বিৱৰণ মজুত থাকিব লাগিব।

৮. শিক্ষাৰ্থীৰ ভৰ্তি বহী নিয়মীয়া ৰাখিব লাগিব।

৯. ছাত্ৰ-ছাত্ৰীৰ সবিশেষ মজুত থাকিব লাগিব। (জন্মৰ প্ৰমাণ পত্ৰক অগ্ৰাধিকাৰ দিব)

১০. বোৰ্ডৰ নিৰ্দ্ধাৰিত বন্ধৰ বাহিৰে বাকী দিন কৰ্ম-দিন হিচাপে বিবেচিত হ'ব।

১১. পৰীক্ষাসমূহ বোৰ্ডৰ নীতি-নিৰ্দেশমতে অনুষ্ঠিত হ'ব লাগিব।

১২. পাঠ্যক্ৰম বোৰ্ডৰ দ্বাৰা অনুমোদিত হ'ব লাগিব।

১৩. পৰীক্ষাবোৰৰ মূল্যায়ণ বোৰ্ডৰ নিৰ্দেশনা মতে অনুষ্ঠিত হ'ব লাগিব।

১৪. বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা থাকিব লাগিব।

১৫. অনুষ্ঠান চৌহদৰ পৰিৱেশ পৰিস্কাৰ-পৰিচ্ছন্ন আৰু স্বাস্থ্যকৰ হোৱাটো একান্ত জৰুৰী হ'ব।

১৬. পৰ্যাপ্ত পৰিমাণৰ প্ৰস্ৰাবগাৰ আৰু শৌচালয় থাকিব লাগিব।

**১৭. শ্ৰেণী কক্ষ**

১৭.১ প্ৰত্যেকটো শ্ৰেণীকক্ষ শিক্ষাৰ্থীৰ সংখ্যানুপাতে আহল-বহল হ'ব লাগিব।

১৭.২ প্ৰতি শ্ৰেণীত শিক্ষাৰ্থীৰ সংখ্যা ৫০ জনতকৈ বেছি হ'ব নালাগিব।

**১৮. ঘৰৰ ব্যৱস্থা**

১৮.১ ইটাৰ গাঁথনি থকা পকী মজিয়াযুক্ত ঘৰ আৰু দুয়োফালে খিৰিকী থাকিব লাগিব।

১৮.২ সুবিধাজনক বহাৰ ব্যৱস্থা থাকিব লাগিব। (Comfortable sitting posture)

১৮.৩ পৰ্যাপ্ত পোহৰ আৰু বতাহৰ ব্যৱস্থা থাকিব লাগিব।

# ছাত্ৰাবাস

**১৯. ভৰ্ত্তিবিধি**

১৯.১ আসন অনুপাতে ভৰ্তি কৰিব লাগিব।

১৯.২ শিক্ষাৰ্থী শাৰিৰীক আৰু মানসিকভাৱে সুস্থ হ'ব লাগিব।

১৯.৩ শিক্ষাৰ্থীসকলৰ আইনী আৰু স্থানীয় অভিভাৱক থাকিব লাগিব।

১৯.৪ শিক্ষাৰ্থীৰ শাৰিৰীক, মানসিক বিকাশৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ছাত্ৰাবাসত থাকিব লাগিব।

**২০. আন্তঃগাঁথনি**

প্ৰতিটো আৱাসত নিম্নলিখিত ধৰণে আন্তঃগাঁথনি হ'ব লাগিব

২০.১ হোষ্টেলৰ পৰিৱেশ পৰিস্কাৰ পৰিচ্ছন্ন তথা স্বাস্থ্য সন্মত হ'ব লাগিব।

২০.২ প্ৰতি ১৫ জন বিদ্যাৰ্থীৰ বিপৰিতে একোটাকৈ শৌচালয় থাকিব লাগিব।

২০.৩ প্ৰতি ১৫ জন বিদ্যাৰ্থীৰ বাবে একোটাকৈ স্নানাগাৰ থাকিব লাগিব। (ছাত্ৰীৰ বাবে)

২০.৪ প্ৰতি ৫০ জন বিদ্যাৰ্থীৰ বাবে এজনকৈ তত্ত্বাৱধায়ক (Warden) থাকিব লাগিব।

২০.৫ হোষ্টেলৰ চৌহদত দেৱাল থাকিব লাগিব। ছোৱালী হোষ্টেলৰ

বাবে পকী দেৱাল বাধ্যতামূলক।

২০.৬ ৰান্ধনি ঘৰ, ডাইনিং হল, গোদাম ঘৰ, চিকিৎসা কক্ষ (প্ৰাথমিক চিকিৎসা ব্যৱস্থা), অগ্নিনিৰ্বাপক ব্যৱস্থা (Fire Safety) ইত্যাদি বাঞ্ছনীয়।

## ২১. প্ৰয়োজনীয় সুবিধাসমূহ

(উন্নতমানৰ পৰিৱেশৰ বাবে তলত দিয়া সুবিধাসমূহৰ ব্যৱস্থা কৰিব লাগিব)

২১.১ ঘৰ পকী আৰু সুৰক্ষিত হ'ব লাগিব।

২১.২ কেবামহলীয়া বিল্ডিঙৰ ক্ষেত্ৰত সুৰক্ষিত আৰু চৰকাৰী নিয়মানুযায়ী অনুমোদিত হোৱাৰ লগতে খিৰিকী আৰু বাৰাণ্ডাত পৰ্যাপ্ত গ্ৰীল/ফেন্সিং থাকিব লাগিব।

২১.৩ বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা থাকিব লাগিব।

২১.৪ স্বাস্থ্যসন্মত আহাৰৰ ব্যৱস্থা থাকিব লাগিব।

২১.৫ ১৪ বছৰ বয়সৰ তলৰ শিক্ষাৰ্থীৰ শোৱাৰ বাবে এখলপিয়া খাটৰ ব্যৱস্থা থাকিব লাগিব।

২১.৬ নিয়মীয়া আধ্যাত্মিক তথা সাংস্কৃতিক অনুশীলনৰ ব্যৱস্থা থাকিব লাগিব।

২১.৭ জৰুৰীকালীন যোগাযোগ ব্যৱস্থা থাকিব লাগিব।

২১.৮ খেলপথাৰ আৰু খেলাধুলাৰ ব্যৱস্থা থাকিব লাগিব।

২১.৯ ছাত্ৰ-ছাত্ৰীৰ বাবে নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা থাকিব

লাগিব।

## ২২. ছাত্ৰাবাসত থকাৰ নিয়মাৱলী

২২.১ প্ৰতিজন আবাসিক শিক্ষাৰ্থীক শিক্ষানুষ্ঠানে পৰিচয় পত্ৰ দিব লাগিব।

২২.২ কোনো আৱাসিক ছাত্ৰ-ছাত্ৰীয়ে সংশ্লিষ্ট তত্ত্বাৱধায়ক আৰু নাজিমে দাৰুল ইকামা (Hostel Incharge) ৰ লিখিত অনুমিত সাপেক্ষেহে ছাত্ৰাবাস ত্যাগ কৰিব পাৰিব।

২২.৩ অনুমতি অবিহনে কোনো শিক্ষাৰ্থীয়ে অতিথি আপ্যায়ন কৰিব নোৱাৰিব।

২২.৪ ছাত্ৰ-ছাত্ৰীৰ বয়সানুপাতে পৃথকে পৃথকে থকাৰ ব্যৱস্থা কৰিব লাগিব।

২২.৫ আৱাসিক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ কোঠালিৰ সাঁ-সজুলি আৰু বস্তু-বাহিনীৰ প্ৰতি দায়বদ্ধ থাকিব। কোনো ক্ষয়-ক্ষতি হ'লে ক্ষতিপুৰণ ভৰিব লাগিব।

২২.৬ আৱাসত নিৰ্দিষ্ট সা-সামগ্ৰীৰ বাহিৰে বৈদ্যুতিক বা আন কোনো সাঁ-সজুলি ব্যৱহাৰ কৰিলে হোষ্টেল কৰ্তৃপক্ষৰ অনুমতি ল'ব লাগিব।

২২.৭ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিৰ্ধাৰিত স্থানতেই ৰাতি শুব লাগিব। কৰ্তৃপক্ষৰ অনুমিত অবিহনে নিৰ্দিষ্ট স্থান পৰিবৰ্তন কৰিব নোৱাৰিব।

২২.৮ অনুষ্ঠান কৰ্তৃপক্ষৰ অনুমোদন জনোৱা সাজ-পোচাক পৰিধান কৰিব লাগিব।

২২.৯ বিনা অনুমতিত মবাইল আদি ৰাখিব নোৱাৰিব আৰু অনুমতি থাকিলেও কেৱল সাধাৰণ মোবাইল ৰখাৰ অনুমতি দিব পাৰিব। এণ্ড্ৰইড মোবাইল ব্যৱহাৰ কৰিব নোৱাৰিব।

২২.১০ আৱাসৰ নিয়মাৱলী উলংঘা কৰিলে বিহীত ব্যৱস্থা গ্ৰহণ কৰাৰ অধিকাৰ কৰ্তৃপক্ষৰ থাকিব।

**২৩. ছাত্ৰাবাসৰ পৰা ছুটি লোৱাৰ নিয়ম**

২৩.১ ১৫ বছৰ বয়সৰ তলৰ ছাত্ৰ অভিভাৱক অবিহনে হোষ্টেলৰ পৰা ছুটি দিব নোৱাৰিব।

২৩.২ ১৫ বছৰ বা তাৰ ওপৰৰ বয়সৰ ছাত্ৰৰ বেলিকা অভিভাৱকৰ সন্মতি সাপেক্ষে ছুটি দিব পাৰিব। কিন্তু তাৰবাবে অভিভাৱকৰ লিখিত সন্মতি ৰাখিব লাগিব।

২৩.৩ ছোৱালীৰ ক্ষেত্ৰত বিধিসন্মত অভিভাৱক অবিহনে হোষ্টেলৰ পৰা ছুটি দিব নোৱাৰিব।

**২৪. অভিভাৱকৰ লগত সাক্ষাৎ**

২৪.১ প্ৰত্যেক অভিভাৱকে নিজৰ কোনো প্ৰমাণপত্ৰ আৰু সদ্যতোলা সত্যায়িত তিনি কপি পাচপোৰ্ট আকাৰৰ ফটো অনুষ্ঠান কৰ্তৃপক্ষক জমা দিব লাগিব।

২৪.২ প্ৰত্যেক অভিভাৱক বা তেওঁৰ ফালৰ পৰা যি অভিভাৱক

হ'ব, তেওঁক অনুষ্ঠানৰ ফালৰ পৰা পৰিচয়পত্ৰ প্ৰদান কৰা হ'ব। উক্ত পৰিচয়পত্ৰ অবিহনে ছাত্ৰৰ লগত কোনো অভিভাৱকক সাক্ষাৎ কৰিবলৈ দিয়া নহ'ব।

২৪.৩ কোনো অভিভাৱকে যদি অন্য কাৰোবাক নিজৰ সন্তানক অনা-নিয়া বা সাক্ষাতৰ বাবে দায়িত্ব দিয়ে, তেন্তে উপযুক্ত প্ৰমাণপত্ৰ কৰ্তৃপক্ষক দেখুৱাব লাগিব। ছাত্ৰাবাসত এখন দৰ্শনাৰ্থী টোকা (Visitors Notebook) থাকিব লাগিব।

বিনীত-

(মৌলানা) আব্দুল কাদিৰ ক্বাছিমী

সাধাৰণ সম্পাদক

সদৌ অসম তনজিম মাদাৰিছ ক্বৌমিয়া

নীলবাগান ঃ হোজাই ঃ অসম

কাৰ্যালয় সম্পাদক (মৌলানা) ইক্ৰামুল হকৰ দ্বাৰা প্ৰকাশিত ও প্ৰচাৰিত